# প্ৰধানমন্ত্ৰীৰ অৰুণাচল প্ৰদেশ ভ্ৰমণ সন্দৰ্ভত চীনৰ এমএফএ মুখপাত্ৰৰ মন্তব্য সন্দৰ্ভত সংবাদ মাধ্যমৰ প্ৰশ্নৰ প্ৰতি চৰকাৰী মুখপাত্ৰৰ উত্তৰ

১২ মাৰ্চ ২০২৪

**প্ৰধানমন্ত্ৰীৰ অৰুণাচল প্ৰদেশ ভ্ৰমণ সন্দৰ্ভত চীনৰ এমএফএ মুখপাত্ৰই কৰা মন্তব্য সন্দৰ্ভত সংবাদ মাধ্যমৰ প্ৰশ্নৰ উত্তৰত চৰকাৰী মুখপাত্ৰ শ্ৰী ৰণধীৰ জয়ছোৱালে এইদৰে কয়:**

"প্ৰধানমন্ত্ৰীৰ অৰুণাচল প্ৰদেশ ভ্ৰমণ সন্দৰ্ভত চীন পক্ষই কৰা মন্তব্য আমি খণ্ডন কৰিছো। ভাৰতীয় নেতাসকলে সময়ে সময়ে অৰুণাচল প্ৰদেশ ভ্ৰমণ কৰে, যিদৰে তেওঁলোকে ভাৰতৰ আন ৰাজ্য ভ্ৰমণ কৰে। এনে ভ্ৰমণ বা ভাৰতৰ উন্নয়নমূলক প্ৰকল্পত আপত্তি কৰাটো যুক্তিসংগত নহয়। ইয়াৰ উপৰিও, ই অৰুণাচল প্ৰদেশ ৰাজ্যৰ স্থিতি সলনি নকৰে আৰু সদায়েই ই ভাৰতৰ এক অবিচ্ছেদ্য তথা অপৰিহাৰ্য অংশ হৈ থাকিব। চীন পক্ষক বিভিন্ন সময়ত এই স্থিৰ স্থিতিৰ বিষয়ে অৱগত কৰা হৈছে।"

**নতুন দিল্লী**
**১২ মাৰ্চ ২০২৪**